**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-08-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ বিজয়নগৰম জিলাৰ ভোগাপুৰমত আল্লুৰী সীতাৰাম ৰাজু আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ মুকলি কৰে।
২। অসমত কাইলৈ লোকপিয়লৰ প্ৰথম পৰ্যায় আৰম্ভ হ'ব।
৩। তৈল বিপণন কোম্পানীসমূহে আজি ১৯ কিলোগ্ৰাম ওজনৰ প্ৰতিটো ব্যৱসায়িক চিলিণ্ডাৰৰ মূল্য প্ৰায় ২০০ টকা হ্ৰাস কৰিছে।
৪। দেশত যোৱা মাহত সামগ্ৰী আৰু সেৱা কৰ জি এছ টি সংগ্ৰহ চকুত লগা ধৰণে বৃদ্ধি পাই ২ লাখ ১১ হাজাৰ ২০৫ কোটি হৈছেগৈ। *আৰু*
৫। কমনৱেল্থ গেমছত ভাৰতে বৰ্তমানলৈকে ৫ টা সোণ, ১২ টা ৰূপ, ৬ টা ব্ৰঞ্জসহ মুঠ ২৩ টা পদক অৰ্জন কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ ভিজিয়ানগৰম জিলাৰ ভোগাপুৰমত গ্ৰীণফিল্ড আল্লুৰী সীতাৰাম ৰাজু আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ মুকলি কৰে। ৫ হাজাৰ ৬০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে বিকশাই তোলা এই গ্ৰীণ ফিল্ড বিমান বন্দৰটো বছৰি ৬০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বিমান বন্দৰত প্ৰধানমন্ত্ৰী মোদীক অন্ধ্ৰপ্ৰদেশৰ ৰাজ্যপাল এছ আব্দুল নাজিৰ, মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু, উপ-মুখ্যমন্ত্ৰী পৱন কল্যাণকে ধৰি অন্যান্য ব্যক্তিসকলে আদৰণি জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে বিমান বন্দৰৰ যাত্ৰী টাৰ্মিনেল ভৱন উদ্বোধন কৰে। তেওঁ লগতে বিমান বন্দৰটোত যাত্ৰীৰ বাবে থকা সা-সুবিধাৰ পৰ্যালোচনা কৰে। সংশ্লিষ্ট বিষয়াসকলে তেওঁক বিমান বন্দৰৰ নক্সা, উন্নত প্ৰযুক্তি তথা ভৱিষ্যতৰ পৰিকল্পনাসমূহৰ বিষয়ে অৱগত কৰে। এই উদ্বোধনী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি উত্তৰ অন্ধ্ৰৰ বৰ্ণাঢ্য জনজাতীয় সংস্কৃতিক প্ৰতিফলিত কৰি ১৩ হাজাৰ ৫০০ ৰো অধিক জনজাতীয় মহিলাই পৰম্পৰাগত থীমচা নৃত্য পৰিৱেশন কৰে। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী মোদীয়ে এখন ৰাজহুৱা সভাত অংশ লৈ বহুকেইটা গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০

অসমত কাইলৈ লোকপিয়লৰ প্ৰথম পৰ্যায় আৰম্ভ হ'ব। ইয়াৰ বাবে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। কাইলৈৰ পৰা ১৬ আগষ্টলৈ স্ব-গণনা আৰম্ভ হ'ব। জনসাধাৰণে se.census.gov.in প'ৰ্টেলত গৈ নিজৰ ম'বাইল নম্বৰ ব্যৱহাৰ কৰি অ টি পিৰ জৰিয়তে লগ ইন কৰিব লাগিব। ইয়াৰ পাছত নিজৰ জিলা আৰু স্থানীয় তথ্য বাচনি কৰি গৃহ আৰু পৰিয়াল সম্পৰ্কীয় তথ্য পূৰণ কৰিব পাৰিব। ডিজিটেল মানচিত্ৰত নিজৰ গৃহৰ অৱস্থান চিহ্নিত কৰিব লাগিব। এই তথ্য দাখিলৰ পাছত লাভ কৰা স্বগণনা পৰিচয় সুৰক্ষিতভাৱে ৰখাটো প্ৰয়োজন। পৰৱৰ্তী সময়ত গণনাকাৰী বিষয়াসকলক এই

স্বগণনা পৰিচয় প্ৰদান কৰিব লাগিব আৰু গণনাকাৰী বিষয়াসকলে তথ্যসমূহ নিশ্চিত কৰিব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

০০০০

তৈল বিপণন কোম্পানীসমূহে আজি ১৯ কিলোগ্ৰাম ওজনৰ প্ৰতিটো ব্যৱসায়িক চিলিণ্ডাৰৰ মূল্য প্ৰায় ২০০ টকা হ্ৰাস কৰিছে। দিল্লীত ব্যৱসায়িক ৰন্ধন গেছৰ চিলিণ্ডাৰৰ নতুন মূল্য দুহেজাৰ ৭৩৪ টকা হোৱাৰ লগতে কলকাতাত দুহেজাৰ ৮৭২ টকা ৫০ পইচা হৈছে। একেদৰে মুম্বাইত প্ৰতিটো ব্যৱসায়িক চিলিণ্ডাৰৰ মূল্য দুহেজাৰ ৬৯০ টকা ৫০ পইচা আৰু চেন্নাইত দুহেজাৰ ৯০৬ টকা হৈছে। ব্যৱসায়িক ৰন্ধন গেছৰ চিলিণ্ডাৰৰ এই নতুন মূল্য আজিৰেপৰা কাৰ্যকৰী হৈছে। তৈল বিপণন কোম্পানীসমূহৰ এই সিদ্ধান্তই ৰেস্তোঁৰা, ধাবা, হোটেল আদিকে ধৰি খাদ্য আৰু পানীয় ব্যৱসায়ৰ সৈতে জড়িত লোকসকলক সকাহ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০

দেশত যোৱা মাহত সামগ্ৰী আৰু সেৱা কৰ জি এছ টি সংগ্ৰহ চকুত লগা ধৰণে বৃদ্ধি পাই ২ লাখ ১১ হাজাৰ ২০৫ কোটি হৈছেগৈ। এই পৰিমাণ ২০২৫ চনৰ জুলাইৰ ১ লাখ ৮৩ হাজাৰ ৬৫ কোটি টকাৰ তুলনাত ১৫ দশমিক ৪ শতাংশ অধিক। বিত্ত মন্ত্ৰালয়ে জাৰি কৰা প্ৰাৰম্ভিক তথ্য অনুসৰি যোৱা মাহত মুঠ ঘৰুৱা জি এছ টি ৰাজহ ১ লাখ ৪৪ হাজাৰ ৬৯৫ কোটি টকা হয়। এই পৰিমাণ যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত ১০ দশমিক ১ শতাংশ অধিক। একেদৰে জুলাইত আমদানিৰ জৰিয়তে লাভ কৰা জি এছ টি ২৮ দশমিক ৮ শতাংশ বৃদ্ধি পাই ৬৬ হাজাৰ ৫১১ কোটি টকা হয়।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মহান স্বাধীনতা সংগ্ৰামী লোকমান্য বাল গংগাধৰ তিলকৰ মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে লোকমান্য তিলক আছিল স্বাধীনতা আন্দোলনৰ এগৰাকী আদৰ্শ নায়ক। তেওঁ অনুপ্ৰেৰণামূলক আদৰ্শ আৰু অনন্য সাংগঠনিক দক্ষতাৰে ভাৰতৰ স্বাধীনতা সংগ্ৰামক নতুন দিক নিৰ্দেশনা দিছে। গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে লোকমান্য তিলকৰ দৰে মহান নেতাসকলে যুৱ প্ৰজন্মক স্বৰাজ স্থাপনৰ বাবে স্বাধীনতা আন্দোলনত জপিয়াই পৰিবলৈ অনুপ্ৰাণিত কৰিছিল। তেওঁৰ বলিষ্ঠ লিখনিসমূহো ব্ৰিটিছ শাসনৰ বিৰুদ্ধে শক্তিশালী উপাদান হিচাপে পৰিচিত হৈছিল। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে লোকমান্য তিলকৰ জীৱন আৰু ব্যক্তিত্বৰ বিষয়ে আলোকপাত কৰি কয়, যে সাংস্কৃতিক সচেতনতাৰ মাজেৰে তেওঁ জাতিয়তাবাদৰ বাবে সমন্বিত উৎসাহ জগাই তুলিছিল, যিয়ে সকলো প্ৰজন্মৰ লোকক সকলোতকৈ দেশৰ স্বাৰ্থ আগত বুলি পতিয়ন নিয়াব পাৰিছিল।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৰাজৰ্ষী পুৰুষোত্তম দাস টেণ্ডনৰ জন্ম বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী সিঙে কয়, যে ৰাজৰ্ষী পুৰুষোত্তম দাস টেণ্ডনে ভাৰত স্বাধীনতা সংগ্ৰামৰ বিভিন্ন আন্দোলনত নেতৃত্ব দিছিল। মন্ত্ৰীগৰাকীয়ে কয়, যে পুৰুষোত্তম দাসৰ অনুপ্ৰাণিতমূলক লেখাৰে সমাজক সচেতন কৰি তোলাৰ লগতে জাতিৰ বিবেক জগাই তুলিছিল। তেওঁ লগতে কয়, যে

ৰাজর্ষী পুৰুষোত্তম দাস টেণ্ডনে হিন্দী ভাষালৈ আগবঢ়োৱা অৱদান অবিস্মৰণীয় হৈ ৰ'ব। শ্ৰী সিঙে কয়, যে ৰাষ্ট্ৰৰ প্ৰতি পুৰুষোত্তম দাসৰ উৎসৰ্গাৰ মনোভাৱে নতুন প্ৰজন্মৰ অন্তৰ্নিহিত শক্তিৰ উৎস।

০০০০

বেনিন গণৰাজ্যৰ ৰাষ্ট্ৰীয় দিৱসৰ অনুষ্ঠানত ভাৰতৰ অৰ্থনৈতিক সম্পৰ্ক সচিব সুধাকৰ ডালেলাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে শ্ৰী ডালেলাই ভাৰত আৰু বেনিনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোঁহাৰে। অনুষ্ঠানত সচিব গৰাকীয়ে দুয়োখন দেশে পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহৰ ক্ষেত্ৰত সহযোগিতাৰে কাম কৰি যাব বুলি উল্লেখ কৰে।

০০০০

স্কটলেণ্ডৰ গ্লাছগ'ত অনুষ্ঠিত কমনৱেল্‌থ গেমছত ভাৰতে কালি জুডোত দুটা সোণ, পুৰুষৰ জেভলিন থ্ৰোত এটা ৰূপ আৰু এটা ব্ৰঞ্জ, ডেকাথেলনত প্ৰথমটো ব্ৰঞ্জ আৰু বক্সিঙত ১০ গৰাকী খেলুৱৈৰ পদক নিশ্চিত কৰণেৰে অনবদ্য প্ৰদৰ্শন আগবঢ়ায়।

লাভলীনা বৰগোঁহাইয়ে মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত প্ৰৱেশ কৰে। লাভলীনাৰ লগতে ফাইনেলত প্ৰৱেশ কৰা আন কেইগৰাকী খেলুৱৈ হৈছে – ৫১ কিলোগ্ৰাম শাখাত সাক্ষী চৌধুৰী, ৫৪ কিলোগ্ৰাম শাখাত প্ৰীতি পাৱাৰ, ৫৭ কিলোগ্ৰাম শাখাত জেচমিন লেম্বোৰিয়া, ৬০ কিলোগ্ৰামত প্ৰিয়া গংগাছ আৰু ৭০ কিলোগ্ৰামত অৰুন্ধতী চৌধুৰী। পুৰুষৰ বক্সিঙত ৫৫ কিলোগ্ৰাম শাখাত যদুমণি সিং, মাণ্ডেংবাম, ৬০ কিলোগ্ৰামত শচীন ছিৱাচ, ৮০ কিলোগ্ৰামত অংকুশ পংগল আৰু ৯০ প্লাছ কিলোগ্ৰাম শাখাত নৰেন্দ্ৰ বীৰৱাল ফাইনেলত অৱতীৰ্ণ হ'ব।

ইপিনে অস্মিতা দে' আৰু হৰ্ষ সিঙে কমনৱেলথ গেমছত প্ৰথমবাৰৰ বাবে জুডোত ভাৰতৰ হৈ দুটাকৈ সোণৰ পদক লাভ কৰি ইতিহাস ৰচনা কৰে। পুৰুষৰ জেভলিন থ্ৰ' প্ৰতিযোগিতাত নীৰজ চোপ্ৰাই ৰূপৰ পদক আৰু য়শবীৰ সিঙে ব্ৰঞ্জৰ পদক জয় কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদকজয়ীসকলক অভিনন্দন জনাইছে।

প্ৰতিযোগিতাত এই পৰ্যন্ত ভাৰতে ৫ টা সোণ, ১২ টা ৰূপ, ৬ টা ব্ৰঞ্জসহ মুঠ ২৩ টা পদক অৰ্জন কৰিছে।

০০০০

সশস্ত্ৰ সেনা বাহিনীয়ে আয়োজন কৰা ১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ এফৰ খেলসমূহ আজি গুৱাহাটীত আৰম্ভ হ'ব। ৰাজ্য চৰকাৰৰ সহযোগিতাত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ্ ষ্টেডিয়ামত আজিৰ প্ৰথমখন খেলত ক্ৰমাগত দুবাৰৰ চেম্পিয়ন নৰ্থ-ইষ্ট ইউনাইটেড এফ চিয়ে বড়োলেণ্ড এফ চিৰ বিৰুদ্ধে খেলিব। উল্লেখযোগ্য যে এছিয়াৰ আটাইতকৈ আৰু বিশ্বৰ তৃতীয় পুৰণি ফুটবল প্ৰতিযোগিতাখনৰ খেল পঞ্চম বাৰৰ বাবে অসমত অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত হট এয়াৰ বেলুন ৰাইড, কমবেট ফ্ৰী ফল, খুক্‌ৰি ড্ৰীল, পেৰা মটৰ আদিৰ ডিছপ্লেকে ধৰি অন্যান্য আকৰ্ষণীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। তদুপৰি সাংস্কৃতিক কাৰ্যসূচীৰ অংশ হিচাপে বাগৰুম্বা, বৰদৈচিখলা আৰু ভোৰতাল নৃত্য পৰিৱেশন কৰা হ'ব।

oooo

ভাৰতৰ তন্ভী শৰ্মাই টাইপেই অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলত ফাইনেলত প্ৰৱেশ কৰিছে। ১৭ বছৰীয়া খেলুৱৈগৰাকীয়ে আজি ছেমি ফাইনেলত চীনা টাইপেইৰ হুৱাং য়ু হছুনক ২১-১৭, ২১-১১ পোনপটীয়া গেমত পৰাভূত কৰে। তন্ভী ফাইনেলত ভিয়েটনামৰ থুই লিন্হ গুয়েনৰ সন্মুখীন হ'ব। থুই লিন্হ গুয়েনে ছেমি ফাইনেলত ভাৰতৰ আন এগৰাকী খেলুৱৈ উন্নতি হুদাক ১৫-২১, ১৮-২১ গেমত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

oooo

সমাপ্ত